

# উৰ্দ্ধৰ পৰা সহায়

॥ ৱাটচন গুড্‌ম্যানৰ দ্বাৰা সংকলিত ॥

# গীতমালা ২৩

যিহোৱা মোৰ ৰক্ষক ; মোৰ অভাৱ নহব।
তেওঁ মোক কুমলীয়া ঘাহনি পথাৰত শুৱায় ;
আৰু য'ত শান্তি আছে, এনে পানীৰ
কাষে কাষে মোক চলায়।
তেওঁ মোৰ প্ৰাণ পুনৰায় সুস্থ কৰে ;
নিজ নামৰ নিমিত্তে তেওঁ মোক ধৰ্ম্ম-পথত
চলায়।
এনে কি, মই মৃত্যুচ্ছায়াৰ উপত্যকাইদি
চলিলেও,
মই কোনো আপদলৈ ভয় নকৰোঁ, কিয়নো
তুমি মোৰ সঙ্গত আছা ;
তোমাৰ লাখুটি আৰু লাঠীয়ে মোক শান্তনা
দিয়ে।
তুমি মোৰ শত্ৰুবোৰৰ সাক্ষাতে মোৰ
সম্মুখত মেজ সজাইছা ;
তুমি মোৰ মূৰ তেলেৰে তিয়াইছা ;
মোৰ পান-পাত্ৰ উপচি পৰিছে।
অৱশ্যে মঙ্গল আৰু দয়া আয়ুসৰ সকলো
কালত মোৰ পাছত যাওঁতা হব,
আৰু মই চিৰকাললৈকে যিহোৱাৰ গৃহত
বাস কৰিবলৈ পাম।

## ॥ ঈশ্বৰৰ প্ৰেম ॥

যোহন ৩ ঃ ১৬ পদ

কাৰণ ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে যে তেওঁ নিজৰ একমাত্ৰ পুত্ৰকে দান কৰিলে, যাতে যি কোনোৱে তেওঁত বিশ্বাস কৰে, তেওঁ নষ্ট নহয় কিন্তু অনন্ত জীৱন পায় ।

ৰোমীয়া ৫ ঃ ৮ পদ

কিন্তু ঈশ্বৰে আমালৈ তেওঁৰ প্ৰেমৰ প্ৰমাণ দিছে । কাৰণ ইতিপূৰ্বেই যেতিয়া আমি পাপী আছিলোঁ তেতিয়া খ্ৰীষ্টে আমাৰ কাৰণে আপোন প্ৰাণ দিলে ।

## ॥ যীচু খ্ৰীষ্টৰ ঈশ্বৰত্ব ॥

**প্ৰভুৱে যি বচন ভাববাদীৰ দ্বাৰাই কোৱাইছিল, যোনে :—**

চোৱা, সেই কণ্যাই গৰ্ভৱতী হৈ পুত্ৰ প্ৰসৱ কৰিব, আৰু লোকে তেওঁৰ নাম ইম্মানুৱেল থব (এই নামৰ অৰ্থ আমাৰ লগত ঈশ্বৰ)। মথি ১ঃ ২২, ২৩

যোহন ১ঃ ১ আৰু ১৪ পদ

আদিতে বাক্য আছিল, আৰু বাক্য ঈশ্বৰে সৈতে আছিল, আৰু বাক্যই স্বয়ং ঈশ্বৰ। সেই বাক্য মাংস হল, আৰু অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ হৈ আমাৰ মাজত বসতি কৰিলে; তাতে পিতৃৰ একমাত্ৰ পুত্ৰৰ উপযুক্ত যি প্ৰভাৱ, সেই প্ৰভাৱ আমি দেখিলোঁ।

॥ ঈশ্বৰ তনয় যীচু ॥

কলচীয়া ২ ঃ ৯

কিয়নো তেওঁত ঈশ্বৰৰ সকলো সম্পূৰ্ণতা শাৰীৰিক ৰূপে নিবাস কৰে ।

যিচয়া ৯ ঃ ৬

কিয়নো আমালৈ এটি ল'ৰা জন্মিল । আমাক এটি পুত্ৰ দান কৰা হ'ল ; আৰু তেওঁৰ কান্ধত শাসনভাৰ অৰ্পিত হব । আৰু তেওঁ আশ্চৰ্য্য মন্ত্ৰী, পৰাক্ৰমী ঈশ্বৰ, অনন্তকালস্থায়ী পিতৃ আৰু শান্তিৰাজ নামেৰে প্ৰখ্যাত হব ।

১ম যোহন ৪ ঃ ১৫ পদ

যীচু যে ঈশ্বৰৰ পুত্ৰ, ইয়াক যি জনে স্বীকাৰ কৰে, ঈশ্বৰ তেওঁত থাকে, আৰু তেওঁ ঈশ্বৰত থাকে ।

যোহন ১১ ঃ ২৫ পদ

যীচুৱে তেওঁক কলে ময়েই পুণৰুত্থানো আৰু জীৱনো, যি কোনোৱে মোত বিশ্বাস কৰে, তেও মৰিলেও জীৱ !

যোহন ৬ ঃ ৩৫

যীচুৱে তেওঁবিলাকক কলে জীৱন দিওঁতা আহাৰ ময়েই ; যিজনে মোৰ ওচৰলৈ আহে, তেওঁৰ কোনোমতেই ভোক নালাগিব ।

যোহন ৮ ঃ ৫৮ পদ

যীচুৱে তেওঁবিলাকক কলে, মই তোমালোকক অতি স্বৰূপকৈ কওঁ, অব্ৰাহামৰ জন্মৰ আগৰে পৰা মই আছোঁ ।

মথি ১৪ : ১৯—২১ পদলৈ

পাছে তেওঁ লোকসমূহক ঘাঁহৰ ওপৰত বহিবলৈ আজ্ঞা দিলে ; আৰু সেই পাঁচোটা পিঠা আৰু দুটা মাছ লৈ স্বৰ্গলৈ চাই আশীৰ্ব্বাদ কৰিলে ; পাছে পিঠাখিনি ভাঙি শিষ্য-বিলাকক দিলে, আৰু তেওঁলোকে লোকসমূহক দিলে। তাতে সকলোৱে খাই তৃপত হ'ল ; পাছে সেই ডোখৰা ডোখৰিৰ অৱশেষখিনিৰে ভৰা বাৰটা পাচি তুলি ললে। ল'ৰা-তিৰোতাত বাজে সেই ভোজন কৰা মানুহ পাঁচ হাজাৰ-জন আছিল।

## ॥ যীচু খ্ৰীষ্ট সৃষ্টিকৰ্ত্তা আৰু প্ৰভু ॥

ৰোমীয়া ১৪ ঃ ৯ পদ

কিয়নো মৰা আৰু জীয়াবিলাকৰ প্ৰভু হবলৈ খ্ৰীষ্ট মৰিল আৰু জীলে ।

কলচীয়া ১ ঃ ১৬ পদ

স্বৰ্গত আৰু পৃথিবীত, দৃশ্য আৰু অদৃশ্য যি যি আছে, সিংহাসন হওক বা প্ৰভুত্ব হওক, আধিপত্য হওক বা ক্ষমতা হওক, সকলোকে তেওঁৰ দ্বাৰায় আৰু তেওঁৰ নিমিত্তেই সৃজা হ'ল ।

যোহন ১ ঃ ৩ পদ

তেওঁৰ দ্বাৰায় সকলোবেই হ'ল, আৰু যি যি হ'ল সেই বোৰৰ এটাও তেওঁৰ বিনে নহ'ল ।

২য় তিমথী ৪ ঃ ১ পদ

মই ঈশ্বৰৰ সাক্ষাতে, আৰু জীয়া আৰু মৰালোকৰ ভাৱী বিচাৰকৰ্ত্তা খ্ৰীষ্ট যীচুৰ সাক্ষাতে তেওঁৰ আবিৰ্ভাব আৰু ৰাজাৰ শপত দি এই দৃঢ় আজ্ঞা দিছো, তুমি বাক্য ঘোষণা কৰা ।

ৰোমীয়া ১৪ ঃ ১০ পদ

কিন্তু তুমি কিয় নিজৰ ভায়েৰাৰ সোধবিচাৰ কৰা ? তোমাৰ ভায়েৰাকনো কিয় হেয়জ্ঞান কৰা ? কিয়নো আমি সকলোৱে খ্ৰীষ্টৰ সোধৰ আসনৰ আগত থিয় হম ।

আৰু তেওঁ সিদ্ধ হৈ তেওঁৰ সকলো আজ্ঞাধীন বিলা-কলৈ অনন্ত পৰিত্ৰানৰ কৰ্ত্তা হ'ল। ইব্ৰী ৫ঃ ৯ পদ

পাচঁনি কৰ্ম্ম ৪ঃ ১২ পদ

আৰু আন কতো পৰিত্ৰাণ নাই, কিয়নো যাৰে আমি পৰিত্ৰাণ পাব লাগে, স্বৰ্গৰ তলত মানুহৰ মাজত দিয়া এনে আন কোনো নাম নাই ।

যোহন ১৪ঃ ৬ পদ

যীচুৱে তেওঁক কলে, ময়েই বাট আৰু সত্য আৰু জীৱন, মোৰ যোগেদি নগলে, পিতৃৰ ওচৰলৈ কোনো নাযায়।

## ॥ অকল খ্রীষ্টৰ দ্বাৰায় মুক্তি ॥

কলচীয়া ১ ঃ ১২—১৪ পদলৈ

আৰু পৱিত্ৰ বিলাকৰ যি অধিকাৰ পোহৰত আছে, সেই অধিকাৰৰ অংশী হবলৈ, যি পিতৃয়ে আমাক যোগ্য কৰিলে, তেওঁৰ ধন্যবাদ কৰা; তেওঁৱেই আমাক অন্ধকাৰৰ পৰাক্ৰমৰ পৰা উদ্ধাৰ কৰি নিজ প্ৰেমৰ পুত্ৰৰ ৰাজ্যত স্থানান্তৰ কৰি থলে তেওঁ তেই হে আমাৰ মুক্তি, অৰ্থাৎ পাপ মোচন আছে।

ইব্ৰী ৭ ঃ ২৫ পদ

এই কাৰণে যি বিলাকে তেওঁৰ দ্বাৰায় ঈশ্বৰৰ ওচৰ চাপে, তেওঁ বিলাকৰ কাৰণে নিবেদন কৰিব। সদায় জীয়াই থকাত সদাকালৰ অৰ্থে তেওঁ বিলাকক পৰিত্ৰাণ কৰিব পাৰে।

১ম যোহন ১ : ৭ পদ

কিন্তু তেওঁ যেনেকৈ পোহৰত আছে, তেনেকৈ আমিও যদি পোহৰত ফুৰো, তেন্তে পৰস্পৰ আমাৰ সহভাগিতা আছে, আৰু তেওঁৰ পুত্ৰ যীচুৰ তেজে সকলো পাপৰ পৰা আমাক শুচি কৰে।

ইব্ৰী ৯ : ১৪ পদ

তেন্তে যি জনাই অনন্ত আত্মাৰে, নিষ্কলঙ্ক বলি স্বৰূপে নিজকেই ঈশ্বৰৰ উদ্দেশ্যে উৎসৰ্গ কৰিলে, সেই খ্ৰীষ্টৰ তেজে জীৱনময় ঈশ্বৰৰ আৰাধনাৰ অৰ্থে তোমালোকৰ বিবেকক মৃত কৰ্ম্মৰ পৰা কিমান অধিকগুণে শুচি কৰিব।

ইফিচীয়া ২ ঃ ৮, ৯ পদ

কিয়নো অনুগ্ৰহেৰেহে বিশ্বাসৰ দ্বাৰায় তোমালোকে পৰিত্ৰাণ পালো; আৰু সেয়ে তোমালোকৰ পৰা নহয়; ঈশ্বৰৰ হে দান, কোনেও যেন শ্লাঘা কৰিব নোৱাৰে, এই নিমিত্তে সেয়ে কৰ্ম্মৰ পৰাও নহয় ।

যোহন ৬ ঃ ২৮, ২৯ পদ

তাতে তেওঁবিলাকে তেওঁক সুধিলে, ঈশ্বৰৰ মনোনীত কৰ্ম্ম কৰিবলৈ আমি কি কৰিব লাগে ? যীচুৱে উত্তৰ দি তেওঁবিলাকক কলে, ঈশ্বৰে যি জনাক পঠালে, তেওঁত বিশ্বাস কৰাই ঈশ্বৰৰ মনোনীত কৰ্ম্ম ।

## ।। ঈশ্বৰৰ দয়া ।।

গীতমালা ১০৩ ঃ ১১ পদ

কিয়নো পৃথিবীতকৈ আকাশ মণ্ডল যিমান ওখ, তেওঁলৈ ভয় ৰখোতাবিলাকলৈকো তেওঁৰ অনুগ্ৰহ সিমান মহৎ।

তীত ৩ ঃ ৪, ৫ পদ

তেতিয়া আমি কৰা ধৰ্ম্ম-কৰ্ম্মৰ কাৰণে নহয়, কিন্তু তেওঁ নিজ দয়া অনুসাৰে নতুন জন্মৰ স্নান আৰু পবিত্ৰ আত্মাই নতুন কৰাৰ দ্বাৰাই আমাৰ পৰিত্ৰাণ কৰিলে।

বিলাপ ৩ ঃ ২২, ২৩ পদ

আমাৰ যে সংহাৰ নহল, এইটোৱেই যিহোৱাৰ নানা অনুগ্ৰহৰ কাৰণ, কিয়নো তেওঁৰ নানা দয়া নুটুকায়। সেই-ৰোৰ প্ৰত্যেক প্ৰভাতে নতুন হয়; তোমাৰ বিশ্বস্ততা মহৎ।

নিজেহায়াই কৈছে, আহাঁ আমি তর্ক বিতর্ক কৰোঁহক; তোমালোকৰ পাপবোৰ সেন্দুৰ বৰণীয়া হলেও হিমৰ দৰে বগা কৰা হব; আৰু লোৰ নিচিনা ৰঙা হলেও. তেৰাৰ নোমৰ দৰে হৈ পৰিব। যিচয়া ১ ঃ ১৮ পদ

প্রকাশিত বাক্য ২২ ঃ ১৭ পদ

অ.আা আৰু কণ্যাই কয়, আহাঁ; আৰু যিজনে শুনে তেৰোঁ বোলক আহাঁ, আৰু যিজনৰ পিয়াহ লাগে, তেওঁ আহক যি জনে ইচ্ছা কৰে তেও বিনামূল্যে জীৱন জলগ্রহণ কৰক।

হে পৰিশ্রান্ত আৰু ভাৰাক্রান্ত লোকসকল, মোৰ ওচৰলৈ আহাঁ, মই তোমালোকক জিৰণি দিম। মথি ১১ ঃ ২৮ পদ

১ম যোহন ৩ : ১০ পদ

ইয়াতে ঈশ্বৰৰ সন্তানবিলাক আৰু চয়তানৰ সন্তান বিলাক প্ৰকাশিত হয়। যি কোনোৱে ধৰ্ম্ম আচৰন নকৰে তেও ঈশ্বৰৰ নহয়; আৰু যি জনে নিজ ভায়েকক প্ৰেম নকৰে তেৱোঁ নহয়।

যোহন ১ : ১২ পদ

তথাপি যিমান মানুহে তেওঁক গ্ৰহণ কৰিলে, অৰ্থাৎ তেওঁৰ নামত বিশ্বাস কৰিলে, সেই সকলোকে ঈশ্বৰৰ সন্তান হবলৈ তেওঁ ক্ষমতা দিলে।

যিবোৰে সুৰাপানত আসক্ত হবলৈ অতি ৰাতিপুৱাতে উঠে, সিবোৰক দ্ৰাক্ষাৰসে মতলীয়া নকৰেমানে বহু ৰাতিলৈকে থাকে, সিহঁতৰ সন্তাপ হব। যিচয়া ৫ ঃ ১১ পদ

গালাতীয়া ৫ : ১৯, ২১ পদলৈ

কিন্তু মাংসৰ কাৰ্য্যবোৰ জনাজাত; সেয়ে ব্যভিচাৰ, অশুচি কাৰ্য্য, লম্পট আচৰণ, দেৱপূজা, মায়া কৰ্ম্ম, নানাবিধ শত্ৰুতা, বিবাদ, ইৰ্ষা, খং–ৰাগ, বিৰোধ, বিভেদ, নানামত অসূয়া, মত্ততা, ৰঙ্গৰস, আৰু এইবোৰৰ নিচিনা আন আন কাৰ্য্য; এই সকলোৰ বিষয়ে যেনেকৈ মই পূৰ্ব্বে তোমালোকক কৈছিলো, তেনেকৈ এতিয়াও কৈছো। যিবিলাকে এনে আচৰণ কৰে, তেওঁবিলাকে ঈশ্বৰৰ ৰাজ্যত অধিকাৰ নাপাব।

## ।। আন্তৰিকতা যথেষ্ট নহয় ।।

মার্ক ১০ : ১৭, ২২

পাছে তেওঁ বাটলৈ ওলাই যাওঁতে কোনো এজন তেওঁৰ ওচৰলৈ লৰি আহি তেওঁৰ আগত আঁঠু লৈ সুধিলে, হে সদগুৰু, অনন্ত জীৱনৰ অধিকাৰী হবলৈ মই কি কৰিম ? কিন্তু যীচুৱে তেওঁক কলে, মোক সৎ কিয় বুলিছা ? এজনা ঈশ্বৰত বাজে সৎ কোনো নাই । নৰবধ নকৰিবা, ব্যভিচাৰ নকৰিবা, চুৰ নকৰিবা, মিছা সাক্ষ্য নিদিবা, প্ৰবঞ্চনা নকৰিবা; নিজৰ পিতৃ মাতৃক সন্মান কৰা, এই আজ্ঞাবোৰ তুমি জানিছা । তাতে তেওঁ তেওঁক কলে, হে গুৰু, ডেকা কালৰ পৰা মই এই সকলোকে পালন কৰি আছোঁ । তেতিয়া যীচুৱে তেওঁলৈ চাই, তেওঁক প্ৰেম কৰি কলে, এটা বিষয় তোমাৰ বাকী আছে ;

তুমি গৈ তোমাৰ সৰ্ব্বস্ব বেছি, দৰিদ্ৰবিলাকক দান কৰা ; তেহে স্বৰ্গত তোমাৰ ধন হব ; আৰু আহাঁ মোৰ পাছে পাছে চলাহি। সেই কথাত তেওঁৰ মুখ ক'লা পৰিল ; আৰু তেওঁ দুখিত হৈ গুচি গ'ল ; কিয়নো তেওঁ বহু ধন-সম্পত্তি থকা মানুহ আছিল ।

॥ প্ৰতাৰিত নহবা ॥ ১৭

যাকোব ১ ঃ ২২ পদ

আৰু শুনোতা হৈ নুভুলাবা। কিন্তু বাক্য পালন কৰোতা হোৱা ।

গালাতীয়া ৬ ঃ ৩

কিয়নো কোনোৱে একো নহৈয়ো, যদি নিজকে বৰ মানে, তেন্তে তেওঁ নিজকেই ভুলায় ।

## ।। পাপেই মৃত্যুৰ কাৰণ ।।

যিহিস্কেল ১৮ : ২০

পাপ কৰা প্ৰাণীহে মৰিব, পুতেকে বাপেকৰ, বাপেকে পুতেকৰ অপৰাধৰ ভাৰ নবব, ধাৰ্ম্মিকৰ ধাৰ্ম্মিকতা ধাৰ্ম্মিকৰ গাত আৰু দুষ্টৰ দুষ্টতা, দুষ্টৰ গাত থাকিব ।

যাকোব ১ ঃ ১৫

তাতে সেই কু-অভিলাষে গৰ্ভধাৰণ কৰি পাপ প্ৰসৱ কৰে, পাছে পাপ সম্পূৰ্ণ হলে মৰণ জন্মায় ।

ৰোমীয়া ৫ : ১২

এতেকে যেনেকৈ এজন মানুহৰ দ্বাৰায় পাপ আৰু পাপৰ দ্বাৰায় মৃত্যু জগতত সোমাল । আৰু সকলোৱে পাপ কৰাত, সেই মৃত্যু সকলো মানুহলৈকে ব্যাপি গ'ল ।

যোহন ১১ ঃ ৪৩, ৪৪

ইয়াকে কৈ, তেওঁ বৰকৈ ৰিঙিয়াই কলে ; হে লাজাৰ বাহিৰলৈ আহাঁ। তাতে সেই মৃত জনে, হাত ভৰি মৈদামৰ কাপোৰেৰে বন্ধা, আৰু মুখ গামোচাৰে বন্ধা হৈ বাহিৰলৈ আহিল। যীচুৱে তেওঁলোকক কলে, এওঁক মেলি এৰি দিয়া।

প্ৰকাশিত বাক্য ১ঃ১৮

মই প্ৰথম আৰু শেষ, আৰু জীয়াই থকা জনা, মই মৃত হলো আৰু চোৱা, অনন্তকাললৈকে জীয়াই আছো, আৰু মৃত্যুৰো পৰলোকৰো চাবিবোৰ মোৰ হাতত আছে।

দ্বিতীয় বিৱৰণ ৫ : ৭, ২১

মোৰ আগত তোমাৰ আন কোনো দেৱতা নাথাকক। তুমি নিজলৈ কোনো কটা প্ৰতিমা, ওপৰত থকা স্বৰ্গত, তলত থকা পৃথিবীত, আৰু পৃথিবীৰ তলত থকা পানীত যি যি আছে, সেইবোৰৰ আকৃতিৰে কোনো মূৰ্ত্তি নাসাজিবা। সেই বোৰৰ আগত তুমি প্ৰণিপাত নকৰিবা; আৰু সেইবোৰক সেৱা পূজাও নকৰিবা; কিয়নো তোমাৰ ঈশ্বৰ যিহোৱা মই নিজ মৰ্য্যদা কৰাত উদ্যোগী ঈশ্বৰ, মোক ঘিনাওতা বোৰৰ তৃতীয়, চতুৰ্থ পুৰুষলৈকে সন্তানবিলাকৰ ওপৰত পিতৃ-বিলাকৰ অপৰাধৰ প্ৰতিফল দিওঁতা আৰু মোক প্ৰেম কৰা

ও মোৰ আজ্ঞা পালন কৰা বিলাকৰ হাজাৰ হাজাৰ পুৰুষ-লৈকে দয়া কৰোতা ঈশ্বৰ ।

তুমি নিজ ঈশ্বৰ যিহোৱাৰ নাম অনৰ্থক ৰূপে নলবা ; কিয়নো যি কোনোৱে তেওঁৰ নাম অনৰ্থকৰূপে লয়, যিহোৱাই তাক নিৰ্দ্দোষী নকৰিব । তোমাক দিয়া ঈশ্বৰ যিহোৱাৰ আজ্ঞা অনুসাৰে তুমি বিশ্ৰাম দিন পালন কৰি পবিত্ৰ কৰা । ছদিন পৰিশ্ৰম কৰি তোমাৰ সকলো কাৰ্য্য কৰা । কিন্তু সপ্তম দিন তোমাৰ ঈশ্বৰ যিহোৱাই তোমাক যি দেশ দিছে, সেই দেশত তোমাৰ আয়ুস দীঘল হবৰ নিমিত্তে, আৰু তোমাৰ মঙ্গল হবৰ নিমিত্তে তোমাক দিয়া ঈশ্বৰ যিহোৱাৰ আজ্ঞা অনুসাৰে তুমি নিজ পিতৃ মাতৃক সন্মান

কৰিবা ।

তুমি নৰবধ নকৰিবা । তুমি ব্যভিচাৰ নকৰিবা । তুমি চুৰ নকৰিবা । তুমি লোকৰ অহিতে মিছা সাক্ষ্য নিদিবা । তুমি লোকৰ তিৰোতালৈ লোভ নকৰিবা ; তুমি লোকৰ ঘৰ বা খেতি, বা বন্দী, বা বেটী, বা তাৰ গৰু, বা তাৰ গাধ, বা তাৰ আন কোনো বস্তুলৈকে হাবিয়াহ নকৰিবা ।

২২ ॥ তুমি ঈশ্বৰৰ পৰা লুকাই থাকিব নোৱাৰা ।

লূক ৮ ঃ ১৭ পদ

কিয়নো যি প্ৰকাশিত নহব, এনে কোনো লুকাই থোৱা বস্তু নাই, আৰু যিহক জনা নহব আৰু যি প্ৰকাশিত হৈ নাযাব, এনে গুপুত বস্তু নাই ।

মথি ২৫ ঃ ৪৬

পাছে সিহঁতে অনন্ত দণ্ডলৈ, কিন্তু ধাৰ্ম্মিক বিলাকে অনন্ত জীৱনলৈ যাব ।

গীতমালা ৯ ঃ ১৭

দুষ্টবোৰ চিয়োনলৈ উলটি যাব; ঈশ্বৰক পাহৰা সকলো জাতি তালৈ যাব ।

মথি ১৩ ঃ ৪১, ৪২

মানুহৰ পুত্ৰই তেওঁৰ দূতবিলাকক পঠাই দিব, আৰু তেওঁবিলাকে তেওঁৰ ৰাজ্যৰ মাজৰ পৰা সকলো বিঘ্নজনক বিষয় আৰু অধৰ্ম্মচাৰীবোৰক গোটাই অগ্নিকুণ্ডত পেলাব; তাতে ক্ৰন্দন আৰু দাঁত কৰচনি হব ।

ৰোমীয়া ১৪ ঃ ১২

এতেকে আমাৰ প্ৰতিজনে ঈশ্বৰৰ আগত নিজৰ বিষয়ে হিচাব দিব ।

২য় কৰিন্থীয়া ৫ ঃ ১০

কিয়নো প্ৰতিজনে কৰা কৰ্ম্ম ভাল হওক বা বেয়া হওক; তাৰ দৰে, শৰীৰৰ দ্বাৰায় কৰা কৰ্ম্মৰ ফল পাবলৈ, আমি সকলোৱে খ্ৰীষ্টৰ সোধৰ আসনৰ আগত প্ৰকাশিত হব লাগিব ।

ইব্ৰি ৯ ঃ ২৭

আৰ যেনেকৈ এবাৰ মাথোন মৰিবলৈ, আৰু তাৰ পাছত সোধ বিচাৰ মানুহৰ নিমিত্তে নিৰূপিত আছে ।

২য় কৰিন্থীয়া ৮ ৪ ৯

কিয়নো তোমালোক যেন আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দৰিদ্ৰতাৰ দ্বাৰাই ধনী হোৱা, এই নিমিত্তে তেওঁ ধনী হৈও যে দৰিদ্ৰ হ'ল, তেওঁৰ সেই অনুগ্ৰহ তোমালোকে জানি আছা ।

ৰোমীয়া ৫ ঃ ১৫ পদ

কিন্তু অপৰাধ যেনে, অনুগ্ৰহৰ বৰ তেনে নহয়; কিয়নো এজনৰ অপৰাধৰ কাৰণে যদি অনেকৰ মৃত্যু হ'ল, তেন্তে কিমান অধিকগুণে ঈশ্বৰৰ অনুগ্ৰহ আৰু অনুগ্ৰহৰ দান, এই দুয়ো, এজন মানুহৰ, অৰ্থাৎ যীচু খ্ৰীষ্টৰ অনুগ্ৰহত অনেকলৈ উপচি পৰিল ।

২য় কৰিন্থীয়া ৭ ঃ ১০

কাৰণ ঈশ্বৰৰ ইচ্ছাৰ দৰে হোৱা মনোদুখ, পালটিব নলগা পৰিত্ৰানলৈ মন পালটন কৰায়; কিন্তু সাংসাৰিক মনোদুখে মৃত্যু সাধন কৰে ।

পাচঁনি কৰ্ম্ম ৩ ঃ ১৯

এতেকে মন পালটাই ঘূৰি আহাঁ, যেন তোমালোকৰ পাপমোচন হয়, আৰু এইদৰে প্ৰভুৰ সন্মুখৰ পৰা শান্তিযুক্ত কাল আহে ।

লূক ১৩ ঃ ৩

মই তোমালোকক কওঁ, তেনে নহয় ; কিন্তু মন নাপালটালে, তোমালোক সকলো সেইদৰে বিনষ্ট হবা ।

ইস্রায়েলবিলাকক মন পালটন আৰু পাপমোচন দান কৰিবলৈ অধিপতি আৰু ত্ৰানকৰ্ত্তা কৰি, তেওঁৰ সোঁহাতেৰে ওখ পদ দিলে। পাঁচনি কৰ্ম্ম ৫ঃ ৩১

মথি ৬ঃ ১৪

কিয়নো তোমালোকে যদি লোকৰ অপৰাধ ক্ষমা কৰা, তেন্তে তোমালোকৰ স্বৰ্গীয় পিতৃয়ে তোমালোককো ক্ষমা কৰিব। যিচয়া ৫৫ঃ ৭

দুষ্টলোকে তেওঁৰ পথ আৰু অধৰ্ম্মীলোকে তেওঁৰ কল্পনা ত্যাগ কৰক, আৰু যিহোৱালৈ উলটি আহক, তাতে তেওঁ তাক কৃপা কৰিব; আৰু সি আমাৰ ঈশ্বৰলৈ ঘূৰি আহক; কিয়নো তেওঁ প্ৰচুৰ পৰিমানে ক্ষমা কৰিব।

আৰু আন্ধাৰৰ বিফল কাৰ্য্যবোৰৰ ভাগী নহবা, বৰং সেইবোৰক দুষিবা । ইফিচীয়া ৫ : ১১

কলচীয়া ৩ : ২

পৃথিবীৰ কথা নাভাবি ওপৰৰ কথা ভাবিবা ।

১ম যোহন ২ ঃ ১৫, ১৬

তোমালোকে জগতক, বা জগতত থকা বিষয়বোৰক প্ৰেম নকৰিবা। কোনোৱে যদি জগতক প্ৰেম কৰে তেন্তে পিতৃৰ প্ৰেম তেওঁৰ অন্তৰত নাই। কিয়নো জগতত যি সকলো আছে, অৰ্থাৎ মাংসৰ অভিলাষ, চকুৰ অভিলাষ, জীৱন কালৰ গৰ্ব্ব, এইবোৰ পিতৃৰ পৰা উৎপন্ন নহয়, জগতৰ পৰাহে হয় ।

যীচুৱে উত্তৰ দি তেওঁক কলে, মই তোমাক অতি স্বৰূপকৈ কওঁ, নতুনকৈ জন্ম নাপালে, কোনেও ঈশ্বৰৰ ৰাজ্য দেখা পাব নোৱাৰে । যোহন ৩ ঃ ৩ পদ

২য় কৰিন্থীয়া ৫ : ১৭

এতেকে কোনো যদি খ্ৰীষ্টত আছে, তেন্তে তেওঁ নতুন সৃষ্টি; পুৰনিবোৰ লুপ্ত হল । চোৱা, নতুন হ'ল ।

১ম যোহন ৫ : ১৮

আমি জানো যে যি কোনো ঈশ্বৰৰ পৰা জন্ম পোৱা হয়, তেওঁ পাপ নকৰে; কিন্তু ঈশ্বৰৰ পৰা জন্ম পোৱা জনাই নিজকে ৰাখে, আৰু পাপ আত্মাই তেওঁক স্পৰ্শ নকৰে ।

পাপৰ সম্বন্ধে মৰা যি আমি, আমি তাত আৰু কেনেকৈ জীয়াই থাকিম ? সেইদৰে তোমালোকেও খ্ৰীষ্টত যীচুত নিজক পাপৰ উদ্দেশ্যে মৰা, কিন্তু ঈশ্বৰৰ উদ্দেশ্যে জীয়া বুলি গণ্য কৰা ; ৰোমীয়া ৬ ঃ ২, ১১

কলচীয়া ৩ ঃ ১

এতেকে তোমালোকে যদি খ্ৰীষ্টৰ সৈতে তোলা হলা, তেন্তে ঈশ্বৰৰ সোঁহাতে, যি ঠাইত খ্ৰীষ্ট বহি আছে, ওপৰত থকা সেই ঠাইৰ কথা বিচাৰিবা ।

আৰু আমি যেন পাপৰ সম্বন্ধে মৰি ধাৰ্ম্মিকতাৰ সম্বন্ধে জীওঁ, এই কাৰণে তেওঁ ওপৰলৈ তেওঁৰ শৰীৰত আমাৰ পাপৰ ভাৰ বৈ নিলে । ১ম পিতৰ ২ ঃ ২৪

যোহন ৫ : ২৪

মই তোমালোকক অতি স্বৰূপকৈ কওঁ, যি জনে মোৰ কথা শুনি মোক পঠোৱা জনাত বিশ্বাস কৰে, সেই জনৰ অনন্ত জীৱন আছে, আৰু তেওঁ সোধ বিচাৰলৈ আহিব নালাগে, কিন্তু মৃত্যুৰ পৰা জীৱনলৈ পাৰ হ'ল ।

ৰোমীয়া ৬ ঃ ২৩

কিয়নো পাপৰ বেচ মৃত্যু ; কিন্তু ঈশ্বৰে দিয়া বৰ, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দ্বাৰায় অনন্ত জীৱন ।

যোহন ১৭ ঃ ৩

আৰু একমাত্ৰ সত্য ঈশ্বৰ যি তুমি, তোমাক আৰু তুমি পঠোৱা যীচুখ্ৰীষ্টক জনা, এয়েই অনন্ত জীৱন ।

ধাৰ্ম্মিকতাৰ কাৰ্য্য শান্তি, আৰু ধাৰ্ম্মিকতাৰ ফল চিৰস্থায়ী, সুস্থিৰতা আৰু বিশ্বাস হব । যিচয়া ৩২ : ১৭

যোহন ১৪ : ২১

যি জনে মোৰ আজ্ঞা পাই পালন কৰে; সেই জনে মোক প্ৰেম কৰে; আৰু যি জনে মোক প্ৰেম কৰে, সেই জন মোৰ পিতৃৰ প্ৰেমৰ পাত্ৰ হব, আৰুময়ো সেই জনক প্ৰেম কৰি, তেওঁৰ আগত নিজকে প্ৰকাশ কৰিম ।

১ম যোহন ৩ : ১৮, ১৯

হে বোপাহঁত, আহা, আমি কেৱল বাক্যৰে বা জিবাৰে নহয়, কৰ্ম্ম আৰু সত্যেৰে প্ৰেম কৰোহঁক ইয়াৰ দ্বাৰায় আমি জানিম যে, আমি সত্যৰ পৰা হওঁ ।

## ।। অন্তৰ্বাসী খ্ৰীষ্টই আনন্দ দিয়ে ।।

যোহন ১৫ ঃ ১১

মোৰ আনন্দ তোমালোকত যেন থাকে, আৰু তোমালোকৰ আনন্দ যেন সম্পূৰ্ণ হয়, এই নিমিত্তে, তোমালোকক এইবোৰ কথা কলো ।

গালাতীয়া ২ ঃ ২০

মই খ্ৰীষ্টৰ সৈতে ক্ৰুচত হত হলো; মই যীচু বুলিলেও সেয়ে, আৰু মই নহয়, খ্ৰীষ্টহে মোত জীছে, কিন্তু যি জীৱন এতিয়া মোৰ শৰীৰত আছে, মোক প্ৰেম কৰা, আৰু মোৰ কাৰণে নিজকে সমৰ্পন কৰা ঈশ্বৰৰ পুত্ৰত কৰা বিশ্বাসতেহে মই সেই জীৱন যাপন কৰিছোঁ ।

## ॥ প্ৰভুৰ বাধ্য হোৱা উচিত ॥

১ম চমুৱেল ১২ : ১৫

কিন্তু যদি তোমালোকে যিহোৱাৰ বাক্যলৈ কাণ নিদি যিহোৱাৰ আজ্ঞাৰ বিৰুদ্ধে আচৰণ কৰা, তেন্তে যিহোৱাৰ হাত যেনেকৈ তোমালোকৰ ওপৰ পিতৃবিলাকৰ বিৰুদ্ধে আছিল; তেনেকৈ তোমালোকৰো বিৰুদ্ধে হব ।

ৰোমীয়া ৬ : ১৬

মৃত্যুৰ কাৰণে পাপৰ, নাইবা ধাৰ্ম্মিকতাৰ নিমিত্তে আজ্ঞা-পালনৰ এই উভয়ৰ যিটোত তোমালোকে নিজক, আজ্ঞাপালনৰ, অৰ্থে দাস স্বৰূপে সমৰ্পন কৰা; সেইটোৰ আজ্ঞা পালন কৰি যে তাৰ দাস হোৱা ইয়াক তোমালোকে নাজানা নে ?

এতেকে মানুহৰ আগত যি কোনোৱে মোক স্বীকাৰ কৰে, স্বৰ্গত থকা মোৰ পিতৃৰ আগত ময়ো তেওঁক স্বীকাৰ কৰিম। কিন্তু মানুহৰ আগত যিকোনোৱে মোক অস্বীকাৰ কৰে, স্বৰ্গত থকা মোৰ পিতৃৰ আগত ময়ো তেওঁক অস্বীকাৰ কৰিম । মথি ১০ : ৩২, ৩৩

ৰোমীয়া ১০ : ৯, ১০

কিয়নো তুমি যদি নিজ মুখেৰে যীচুক প্ৰভু বুলি স্বীকাৰ কৰা, আৰু ঈশ্বৰে যে তেওঁক মৃতবিলাকৰ মাজৰ পৰা তুলিলে, ইয়াক যদি হৃদয়েৰে বিশ্বাস কৰা, তেন্তে পৰিত্ৰাণ পাবা, কাৰণ ধাৰ্ম্মিকতাৰ নিমিত্তে হৃদয়েৰে বিশ্বাস কৰা হয়; আৰু পৰিত্ৰাণৰ নিমিত্তে মুখেৰে স্বীকাৰ কৰা হয় ।

## ।। চয়তান আমাৰ প্ৰধান শক্ৰ ।।

১ম পিতৰ ৫ ঃ ৮

গুজৰি থকা সিংহৰ দৰে তোমালোকৰ শক্ৰ চয়তানে কাক কেনেকৈ গ্ৰাস কৰিব পাৰিব, তাৰ উপায় বিচাৰি ফুৰিছে ।

মথি ৪ ঃ ১, ১০, ১১

তেতিয়া যীচু চয়তানৰ দ্বাৰায় পৰিক্ষীত হবলৈ, তেওঁক আত্মাৰ দ্বাৰায় অৰণ্যলৈ নিয়া হ'ল । তেতিয়া যীচুৱে তাক কলে, গুচি যা, চয়তান, কিয়নো তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰণিপাত কৰা, আৰু কেৱল তেওঁৰেই আৰাধনা কৰা, এই বুলি লিখা আছে । তেতিয়া চয়তানে তেওঁক এৰিলে । আৰু চোৱা, স্বৰ্গ দূত বিলাকে আহি তেওঁক শুশ্ৰূষা কৰিলে ।

যাকোব ৪ ঃ ৭, ৮ (ক)

এতেকে তোমালোক ঈশ্বৰৰ বশীভূত হোৱা; কিন্তু চয়তানক প্ৰতিৰোধ কৰা; তাতে সি তোমালোকৰ পৰা পলাব। ঈশ্বৰৰ ওচৰলৈ চাপি আহাঁ, তাতে তেৰোঁ তোমা-লোকৰ ওচৰলৈ চাপিব ।

১ম যোহন ৩ ঃ ৮

যি কোনোৱে পাপ আচৰণ কৰে, তেওঁ চয়তানৰ, কিয়নো চয়তানে আদিৰে পৰা পাপ কৰি আছে। চয়তানৰ কৰ্ম্ম লুপ্ত কৰিবৰ কাৰণেই ঈশ্বৰৰ পুত্ৰ প্ৰকাশিত হ'ল ।

তোমালোকে যদি পৰস্পৰৰ মাজত প্ৰেম ৰাখা, তেন্তে তোমালোকে যে মোৰ শিষ্য, ইয়াক তাৰ দ্বাৰায় সকলোৱে জানিব। যোহন ১৩ : ৩৫

কিন্তু প্ৰেম, আনন্দ, শান্তি, চিৰসহিষ্ণুতা, মৰম; মঙ্গল-ভাৱ, বিশ্বাস, মৃদুভাৱ, ইন্দ্ৰিয়-দমন, এই সকলো আত্মাৰ ফল। গালাতীয়া ৫ : ২২

১ম যোহন ৪ : ২০

মই ঈশ্বৰক প্ৰেম কৰোঁ, ইয়াকে বুলি কোনোৱে যদি নিজ ভাইক ঘিন কৰে, তেন্তে তেওঁ মিছলীয়া কিয়নো যি ভাইক তেওঁ দেখিলে, তেওঁক যদি প্ৰেম নকৰে, তেন্তে যি জনাক দেখা নাই, এনে ঈশ্বৰক তেওঁ প্ৰেম কৰিব নোৱাৰে।

সপ্তাহৰ প্ৰথম দিনা, ৰাতিপুৱা তেওঁ পুনৰুত্থিত হৈ যি গৰাকীৰ পৰা তেওঁ সাতোটা ভূত খেদাইছিল, সেই মগদলীনি মৰিয়মক প্ৰথমতে দেখা দিলে। মাৰ্ক ১৬ঃ ৯ যোহন ২০ঃ ২৬, ২৮

আকৌ আঠদিনৰ পাছত, তেওঁৰ শিষ্যবিলাক থোমাই সৈতে ভিতৰত থাকোঁতে, দুৱাৰবোৰ বন্ধ হৈ থকাতো, যীচুৱে আহি মাজত থিয় হৈ কলে, তোমালোকৰ শান্তি হওক। তেতিয়া তেওঁ থোমাক কলে, ইয়াত তোমাৰ আঙুলি দি, মোৰ হাত চোৱা আৰু তোমাৰ হাত মেলি মোৰ কোষত সুমুৱা, আৰু অবিশ্বাসীকাৰী নহৈ বিশ্বাসকাৰী হোৱা। থোমাই উত্তৰ দি তেওঁক কলে, হে মোৰ প্ৰভু, হে মোৰ ঈশ্বৰ।

কিয়নো মোৰ পিতৃৰ বাঞ্ছা এই যে যি কোনেৱে পুত্ৰক দেখি, তেওঁত বিশ্বাস কৰে, তেওঁ যেন অনন্ত জীৱন পায়, আৰু শেষৰ দিনা মই তেওঁক তুলিম। যোহন ৬ঃ৪০

যোহন ৫ঃ২৬, ২৮, ২৯

মই তোমালোকক অতি স্বৰূপকৈ কওঁ, যি সময়ত মৃতবিলাকে ঈশ্বৰৰ পুত্ৰৰ মাত শুনিব, আৰু যি বিলাকে শুনে, তেও বিলাক জীৱ; এনে সময় আহিছে, এতিয়াও হৈছে। তোমালোকে ইয়াত বিষ্ময় নামানিবা; কিয়নো যি কালত মৈদামত থকা সকলোৱে তেওঁৰ মাত শুনি, সৎকৰ্ম্ম কৰ-বিলাক জীৱনৰ পুনৰুত্থানলৈ, আৰু কুকৰ্ম্ম কৰাবিলাক সোধ বিচাৰৰ পুনৰুত্থানলৈ ওলাব সেই কাল আহিছে।

এতেকে কোনোৱে যদি এইবোৰৰ পৰা নিজকে শুচি ৰাখে, তেন্তে তেওঁ সমাদৰৰ পাত্ৰ, পবিত্ৰীকৃত, প্ৰভুৰ কাৰ্য্যৰ নিমিত্তে উপযোগী আৰু, সকলো সৎ কৰ্ম্মৰ নিমিত্তে প্ৰস্তুত হব ।

২য় তিমথীয় ২ : ২১

২য় কৰিন্থীয়া ৭ : ১

এই হেতুকে, হে প্ৰিয়বিলাক এইবোৰ প্ৰতিজ্ঞা পোৱাত, আহাঁ, আমি শৰীৰ আৰু আত্মাৰ সকলো মলৰ পৰা নিজকে শুচি কৰি, ঈশ্বৰলৈ ভয় ৰাখি, পবিত্ৰতা সিদ্ধ কৰোঁহক ।

১ম পিতৰ ১ : ১৫

তোমালোকক আমন্ত্ৰন কৰা জনা যেনে পবিত্ৰ, তোমালোকো আচাৰ ব্যৱহাৰত তেনে পবিত্ৰ হোৱা ।

## ।। ঈশ্বৰলৈ পবিত্ৰতা ।।

### যিচয়া ৩৫ ঃ ৮

আৰু সেই ঠাইতে এক ৰাজপথ আৰু আলি হব। সেয়ে পবিত্ৰ আলি বুলি প্ৰখ্যাত হব, সেয়ে দি কোনো অশুচি লোক অহা যোৱা নকৰিব। কিন্তু সেয়ে কেৱল লোক বিলাকৰ নিমিত্তে হব, তাৰ পথিক বিলাক, এনে কি অজ্ঞানো তাত ভ্ৰান্ত নহব।

### ১ ম যোহন ১ ঃ ৯

কিন্তু আমি নিজ নিজ পাপবোৰ স্বীকাৰ কৰিলে, বিশ্বাসী আৰু ধাৰ্ম্মিক যি তেওঁ, তেও আমাৰ পাপবোৰ ক্ষমা কৰে। আৰু সকলো অধৰ্ম্মৰ পৰা আমাক শুচি কৰে।

আৰু শিষ্যবিলাকে আনন্দৰে আৰু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হল। পাচনি কৰ্ম্ম ১৩ : ৫২

ৰোমীয়া ৮:৯

কিন্তু ঈশ্বৰৰ আত্মা যদি তোমালোকৰ অন্তৰত থাকে, তেন্তে তোমালোক মাংসৰ বশত নহয়, আত্মাৰ বশতহে আছা। কিন্তু যি জনত খ্ৰীষ্টৰ আত্মা নাই, তেওঁ খ্ৰীষ্টৰ নহয়।

পাচনি কৰ্ম্ম ১ : ৮

কিন্তু যেতিয়া তোমালোকৰ ওপৰলৈ পবিত্ৰ আত্মা আহিব, তেতিয়া তোমালোকে শক্তি পাবা। আৰু যিৰূচালেম আদি কৰি গোটেই যিহূদিয়া আৰু চমৰিয়া দেশত, আৰু পৃথিবীৰ সীমালৈকে তোমালোকে মোৰ সাক্ষী হবা।

গীতমালা ৩৪ : ১৮

যিহোৱা ভগ্ন চিতীয়া বিলাকৰ ওচৰ, খেদিত মন হোৱা-বিলাকক তেও পৰিত্ৰাণ কৰে।

১ম পিতৰ ৪ : ১২, ১৩

হে প্ৰিয়বিলাক তোমালোকৰ পৰীক্ষাৰ অৰ্থে তোমা-লোকৰ মাজত যি জুই জ্বলিছে, সেয়ে তোমালোকলৈ অসম্ভৱ ঘটনা ঘটিছে বুলি, তাৰ বিষয়ে তোমালোকে আচৰিত নামা-নিবা, বৰং যি পৰিমাণে খ্ৰীষ্টৰ দুখ ভোগৰ সহভাগী হৈছা সেই পৰিমাণে আনন্দ কৰা যেন তেওঁৰ গৌৰৱ প্ৰকাশিত হোৱা কালত তোমালোকে আনন্দৰে উল্লাস কৰিব পাৰা

রোমীয়া ৮ : ২৮

আৰু আমি জানো যে, যিবিলাকে ঈশ্বৰক প্ৰেম কৰে, যিবিলাক তেওঁৰ অভিপ্ৰায় অনুসাৰে আমন্ত্ৰিত, তেওঁবিলাকৰ পথো সকলোৰেই মঙ্গলৰ অৰ্থে একেলগে কাৰ্য্য কৰিছে।

১ম কৰিন্থীয়া ১০ : ১৩

যি যি পৰীক্ষা মানুহবিলাকত চলে, তাৰ বাহিৰে তোমালোকলৈ আন পৰীক্ষা ঘটা নাই, কিন্তু ঈশ্বৰ বিশ্বাসী তেওঁ তোমালোকলৈ শক্তিৰ অতিৰিক্ত পৰীক্ষা ঘটিবলৈ নিদিব; কিন্তু যাতে তোমালোকে সহিব পাৰিবা, তাৰ কাৰণে পৰীক্ষাই সৈতে সাৰিবৰ উপায়ো কৰিব।

প্ৰকাশিত বাক্য ৩ : ২১

মই নিজে যেনেকৈ জয় কৰি মোৰ পিতৃৰ লগত তেওঁৰ সিংহাসনত বহিলো, তেনেকৈ, যি জনে জয় কৰে, তেওঁক মোৰে সৈতে মোৰ সিংহাসনত মই বহিবলৈ দিম।

প্ৰকাশিত বাক্য ৩ ঃ ১২

যি জনে জয় কৰে, তেওঁক মোৰ ঈশ্বৰৰ মন্দিৰত থকা স্তম্ভস্বৰূপ কৰিম ; তাতে তেওঁ আৰু কেতিয়াও বাহিৰলৈ নাযাব ; আৰু তেওঁৰ ওপৰত মোৰ ঈশ্বৰৰ নাম, আৰু মোৰ ঈশ্বৰৰ নগৰ যি নতুন যিৰূচালেম, স্বৰ্গৰ পৰা মোৰ ঈশ্বৰৰ পৰা নামিব, তাৰ নাম, আৰু মোৰ নিজৰ নতুন নাম লিখিম ।

লূক ১৬ : ১৮

যি কোনোৱে নিজৰ ভাৰ্য্যাক ত্যাগ কৰি অন্যক বিয়া কৰে, সি ব্যভিচাৰ কৰে; আৰু স্বামীৰ পৰা ত্যাগ হোৱা তিৰোতাক যি জনে বিয়া কৰে সিও ব্যভিচাৰ কৰে।

ৰোমীয়া ৭ : ২, ৩

কাৰণ সধবা স্ত্ৰী জীয়াই থকা স্বামীয়ে সৈতে বিধানেৰে বন্ধা, কিন্তু স্বামী মৰিলে, তেওঁ স্বামীৰ বিধানৰ পৰা মুক্ত হয়। এতেকে তেওঁৰ স্বামী জীয়াই থাঁকোতে, যদি তেওঁ আন পুৰুষৰ হয়, তেতিয়া তেওঁক ব্যভিচাৰিনী বোলা যাব; কিন্তু স্বামী মৰিলে, সেই বিধানৰ পৰা মুক্ত হোৱাত, পাছত আন পুৰুষৰ হলেও, ব্যভিচাৰিণী নহয়।

১ম যোহন ৩ ঃ ২

হে প্ৰিয়বিলাক, এতিয়া আমি ঈশ্বৰৰ সন্তান আছো ; কিন্তু পাছত কি হম, সেয়ে এতিয়ালৈকে প্ৰকাশিত হোৱা নাই । তেওঁ প্ৰকাশিত হলে, আমি তেওঁৰ নিচিনা হম, ইয়াকে জানো, কিয়নো তেওঁ যেনেকুৱা আছে, তেওঁক তেনেকুৱাই দেখিম ।

লূক ১২ ঃ ৪০

তোমালোকো যুগুত হৈ থাকা ; কিয়নো যি ক্ষণত তোমালোকে নাভাবা, সেই ক্ষণতে মানুহৰ পুত্ৰ আহিব ।

## ॥ খ্ৰীষ্টৰ দ্বিতীয় আগমন ॥

মথি ২৪ ঃ ৩০

তেতিয়া আকাশত মানুহৰ পুত্ৰৰ চিন প্ৰকাশিত হব আৰু তেতিয়া পৃথিবীৰ সকলো ফৈদে হিয়া ভুকুৱাব, আৰু আকাশৰ মেঘৰ ওপৰত মানুহৰ পুত্ৰক, পৰাক্ৰম আৰু মহা প্ৰতাপেৰে অহা দেখিব ।

যোহন ১৪ ঃ ৩

আৰু মই তোমালোকলৈ যদি ঠাই যুগুত কৰোঁগৈ, তেন্তে মই যি ঠাইত থাকো তোমালোকো সেই ঠাইতে যেন থাকিবলৈ পাবা এই নিমিত্তে মই আকৌ আহি তোমা-লোকক মোৰ ওচৰলৈ লৈ যাম ।